# ICSE 2023 EXAMINATION

# SPECIMEN QUESTION PAPER

# ASSAMESE

# (SECOND LANGUAGE)

---

*Maximum Marks: 80*

*Time allowed: Three hours*

*Answers to this Paper must be written on the paper provided separately.*

*You will not be allowed to write during the first 15 minutes.*

*This time is to be spent in reading the question paper.*

*The time given at the head of this Paper is the time allowed for writing the answers.*

---

***Section A** is compulsory – **All** questions in **Section A** must be answered.*

*Attempt **any four** questions from **Sections B,** answering at least **one** question each from the **two** books you have studied and **any two** questions from the same books.*

*The intended marks for questions or parts of questions are given in brackets [ ].*

---

## SECTION A

*(Attempt **all** questions from this Section.)*

**Question 1**

Write a short composition in **Assamese** of approximately **250** words on **any one** of the following topics: [15]

তলত দিয়া বিষয় কেইটাৰ পৰা যিকোনো এটা বিষয় বাচি লৈ আনুমানিক ২৫০ টা শব্দৰ ভিতৰত এখনি ৰচনা লিখা :

(i) মানুহে পাঙে ঈশ্বৰে ভাঙে—এই প্ৰৱচনফাকিৰ অৰ্থ প্ৰকাশ হোৱাকৈ এটি গল্প বা এখনি ৰচনা লিখা।

(ii) ভ্ৰমণে জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰে। এই সম্পৰ্কে মতামত আগবঢ়াই ভ্ৰমণৰ প্ৰয়োজনীয়তা শীৰ্ষক এখন ৰচনা প্ৰস্তুত কৰা।

(iii) এদিন তুমি মা-দেউতাৰ লগত চিনাকি মানুহ এঘৰলৈ ফুৰিবলৈ গৈ গম পালা যে মানুহঘৰত সংগীতৰ এটি পৰিৱেশ আছে। ঘৰখনৰ সকলোৱে তোমালোকক বহুতো অসমীয়া গীতেৰে আপ্যায়িত কৰিলে বা অসমীয়াত গীত শুনালে।এইবাৰ তোমাকো এটি গীত গাবলৈ ক'লে।তুমি বৰ লাজ পালা, কাৰণ অসমীয়া গীত গোৱা দূৰৰ কথা তুমি দেখোন

অসমীয়া গীত-মাত শুনাত আজিলৈকে কোনো আগ্ৰহ প্ৰকাশ কৰা নাই । সেইদিনা ঘৰলৈ আহি কি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলা, এই বিষয়ে এটি বৰ্ণনা দি এখন ৰচনা লিখা ।

(iv) এটি মৌলিক (original) গল্প লিখা যিটো গল্পৰ প্ৰথম নাইবা শেষৰ বাক্যটো হ'ব—"জীৱনৰ আন এটা নামেই হৈছে সংগ্ৰাম । সংগ্ৰামত লিপ্ত হৈয়েই জীৱনটো যে ইমান কঠিন সেই কথা আজি উপলব্ধি কৰিছোঁ।"

(v) তলত দিয়া ছবিখন ভালদৰে অধ্যয়ন কৰি সেইখনৰ লগত সংগতি ৰাখি এখনি ৰচনা নাইবা এটি গল্প লিখা। তোমাৰ লিখনিৰ সৈতে ছবিখনৰ সম্বন্ধ থাকিব লাগিব। গল্প নাইবা ৰচনাখনিৰ শীৰ্ষক দিবলৈ নাপাহৰিবা।



**Question 2**

Write a letter in **Assamese** of approximately **120** words on **any one** of the following topics given below: [7]

তলত দিয়া যি কোনো এটা বিষয় বাচি লৈ আনুমানিক ১২০ টা শব্দৰ ভিতৰত এখনি চিঠি লিখা :

(i) তোমালোকৰ অঞ্চলত সঘনাই হোৱা বানপানীৰ স্থায়ী সমাধান বিচাৰি স্থানীয় বিধায়ক গৰাকীলৈ প্ৰতিদিন বাতৰি কাকতৰ জৰিয়তে এখনি মুকলি পত্ৰ লিখা । অঞ্চলটোৰ ৰাইজে বানপানীৰ কবলত পৰি কেনে দুৰ্ভোগ ভুগিছে সেই বিষয়েও উল্লেখ কৰিবা ।

(ii) তোমাৰ স্কুলীয়া বন্ধু এজনৰ সৈতে আজি বহুদিন কথা-বতৰা হোৱা নাই । দুয়ো অষ্টম শ্ৰেণীলৈকে বেচ ভাল বন্ধু আছিলা , কিন্তু তেওঁৰ দেউতাকৰ চাকৰি আন এঠাইলৈ বদলি হোৱাৰ বাবে তোমালোক এৰা-এৰি হ'ব লগা হ'ল । তেওঁলৈ এখন চিঠি লিখি তোমাৰ সবিশেষ খা- খবৰ দিয়াৰ লগতে তেওঁৰো খবৰ বাতৰি লোৱা । চিঠিত নাম ঠিকনা লিখিবলৈ নাপাহৰিবা ।

## Question 3

Read the passage given below and answer in **Assamese** the questions that follow, using your own words as far as possible:

তলত দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্ন সমূহৰ উত্তৰ যিমান পাৰা নিজৰ ভাষাত দিবলৈ চেষ্টা কৰা :

"অতীতৰ শিল্পকলা, স্থাপত্য , ভাস্কৰ্য্য , লিপি, মুদ্ৰা , বুৰঞ্জী প্ৰসিদ্ধ স্থান, দলিল আদি যিবিলাক সম্পদে সেই যুগৰ ঐতিহ্য, বুৰঞ্জী, বিজ্ঞান, ধৰ্ম, দৰ্শন আদিৰ সম্ভেদ দিয়ে তেনে সম্পদবোৰেই হৈছে কলাসম্পদ । এই সম্পদসমূহে অতীতৰ সাংস্কৃতিক ঐতিহ্যৰ বিষয়ে কয় । প্ৰাচীন মঠ-মন্দিৰ, লিপি, বাচন-বৰ্তন, আ-অলংকাৰ আদিবোৰেই হৈছে প্ৰত্নতাত্ত্বিক সম্পদ । সময়ে সময়ে খনন কাৰ্যৰ জৰিয়তে বহুতো সম্পদ মাটিৰ তলৰ পৰা উদ্ধাৰ কৰা হৈছে ।এই সম্পদসমূহৰ বিজ্ঞানসন্মত অধ্যয়নক প্ৰত্নতত্ত্ব বোলে । প্ৰাক- ঐতিহাসিক যুগৰে পৰা আৰম্ভ কৰি বৰ্তমান সময়ৰ পৰা এশ বছৰৰ পুৰণি সকলো সম্পদক প্ৰত্নতাত্ত্বিক সম্পদৰূপে ধৰা হয় । এই সম্পদসমূহৰ অধ্যয়নৰ জৰিয়তে আমি সেই সময়ৰ মানুহৰ জীৱন- ধাৰণৰ প্ৰণালী, বসতি স্থান , কলা-সংস্কৃতি, ধৰ্ম, দৰ্শন আদিৰ বিষয়ে জানিব পাৰোঁ।

খনন কাৰ্য এটা জাতিৰ কাৰণে অতি গুৰুত্বপূৰ্ণ । কাৰণ প্ৰাকৃতিক দুৰ্যোগৰ ফলত কেতিয়াবা

এখন দেশ ধ্বংস হৈ ভূ-গৰ্ভত লীন যাব পাৰে । এই খনন কাৰ্যৰ দ্বাৰাই এখন দেশৰ তেনে প্ৰাচীন ঐতিহ্য, সভ্যতাৰ স্বাক্ষৰ উদ্ধাৰ হ'ব পাৰে । গোৱালপাৰা জিলাৰ শ্ৰীশ্ৰী সূৰ্য পাহাৰ, তেজপুৰৰ ওচৰৰ

বৰাচুবুৰী ,গুৱাহাটীৰ আমবাৰীৰ খনন কাৰ্যত উদ্ধাৰ হোৱা প্ৰত্নতাত্ত্বিক সম্পদে অসমৰ সাংস্কৃতিক আৰু সামাজিক ঐতিহ্যৰ ভেটি অধিক সুদৃঢ় কৰি তুলিছে ।

শ্ৰীশ্ৰী সূৰ্য পাহাৰৰ খনন কাৰ্যৰ ফলৰ উদ্ধাৰ হোৱা শিলেৰে নিৰ্মিত বৌদ্ধ স্তূপ, জৈন ধৰ্মৰ আদিগুৰু নেমিনাথ আৰু ঋষভ নাথৰ ভাস্কৰ্য, শিৱ-লিংগ গণেশ আদি মূৰ্তিৰ সমাৱেশে শ্ৰীশ্ৰী সূৰ্য পাহাৰক বিভিন্ন ধৰ্মীয় সমাজৰ মিলনভূমি ৰূপে চিহ্নিত কৰিছে । গোলাঘাট জিলাৰ বৰপথাৰ অঞ্চলৰ ডুবৰণি প্ৰাচীন অসমৰ বুৰঞ্জীৰ অন্যতম ক্ষেত্ৰ ।এই অঞ্চলৰ ওচৰে-পাজৰে উদ্ধাৰ হোৱা প্ৰাচীন লিপিসমূহৰ পৰা আমি সমাজ ,ধৰ্ম, সাহিত্য, ৰাজনৈতিক দিশ আদিৰ অনেক তথ্য পাওঁ। কেৱল লিপিয়েই নহয়, ডুবৰণি অঞ্চলত প্ৰত্নতাত্ত্বিক খনন কাৰ্যৰ দ্বাৰা উদ্‌ঘাটন কৰা প্ৰাচীন ইটাৰে নিৰ্মিত মন্দিৰৰ ভেটি, শিৱ-লিংগ আদিয়ে অতীতত ডুবৰণি অঞ্চলত বিকাশ লাভ কৰা ভাস্কৰ্য আৰু স্থাপত্য কলাৰ ইংগিত বহন কৰিছে । আজিৰ পৰা কিছুবছৰৰ আগতে গুৱাহাটী মহানগৰৰ আমবাৰী অঞ্চলত উদ্ধাৰ হোৱা খনন কাৰ্যৰ দ্বাৰা নটৰাজৰ মূৰ্ত্তি উদ্ধাৰ কৰা হৈছে । শিৱৰ বাহন নন্দীৰ পিঠিত উঠি নৃত্যৰত অৱস্থাত থকা এই মূৰ্ত্তি সমগ্ৰ ভাৰততে বিৰল । আমবাৰীৰ এই মূৰ্ত্তিৰ উপৰি অনেক প্ৰত্নতাত্ত্বিক সম্পদ উদ্ধাৰ কৰা হৈছে । ইটাৰে নিৰ্মিত স্থাপত্যৰ ভেটিৰ অৱশেষ, নটৰাজ, বিষ্ণু, শিৱ আদিৰ লগতে অনেক ডাঙৰ সৰু আকাৰৰ ভাস্কৰ্য, পোৰা মাটিৰ নানান প্ৰত্নতাত্ত্বিক সম্পদ উদ্ধাৰ কৰা হৈছিল। তাকে চাই এই অঞ্চল এসময়ত কলাকাৰ আৰু শিল্পীৰ শিল্প কৰ্মৰ এক উল্লেখযোগ্য স্থান আছিল বুলি ভবা হৈছে ।

প্ৰত্নতাত্ত্বিক খনন কাৰ্যত উদ্ধাৰ হোৱা সম্পদে এটা জাতিক ঐতিহাসিকভাৱে গৌৰৱান্বিত কৰি ৰাখে। প্ৰত্নতাত্ত্বিক সম্পদৰ যথোপযুক্ত সংৰক্ষণে দেশৰ অৰ্থনৈতিক দিশ সবল কৰে। লগতে দেশখনৰ সাংস্কৃতিক বৈশিষ্ট্যৰাজিও বিদেশত প্ৰচাৰ হোৱাত সহায়ক হয়।"

প্ৰশ্নসমূহ :

(i) কলাসম্পদ মানে কি? [2]

(ii) প্ৰত্নতত্ত্ব মানে কি? প্ৰত্নতাত্ত্বিক সম্পদসমূহৰ অধ্যয়ন জৰিয়তে আমি কিহৰ বিষয়ে জানিব পাৰোঁ? [2]

(iii) গোলাঘাট জিলাৰ বৰপথাৰ অঞ্চলৰ ডুবৰণিত আৰু শ্ৰী শ্ৰী সূৰ্য পাহাৰৰ খনন কাৰ্যৰ ফলত কি কি উদ্ধাৰ হৈছে? [2]

(iv) গুৱাহাটীৰ আমবাৰী অঞ্চল এসময়ত কলাকাৰ আৰু শিল্পীৰ শিল্পকৰ্মৰ এক উল্লেখযোগ্য স্থান আছিল বুলি কিয় ভবা হৈছে? [2]

(v) প্ৰত্নতাত্ত্বিক খনন কাৰ্যই আমাক কি কি ক্ষেত্ৰত সহায় কৰে? [2]

## Question 4

Choose and write the correct answer to the following questions: [8]

তলত দিয়া প্ৰশ্নবোৰ ভালদৰে পঢ়া আৰু শুদ্ধ উত্তৰটো লিখা :

(i) বজাৰৰ পৰা কিনি অনা বস্তু অকণো পেলাবলৈ মন নাযায়। অৰ্থাৎ ___________

(ক) হলা গছত বাগি কুঠাৰ মৰা।

(খ) উপকাৰীক অজগৰে খায়।

(গ) কিনা হাঁহৰ ঠোঁটলৈকে মঙহ।

(ঘ) এশ গৰু মাৰিলে বাঘৰো মৰণ।

(ii) আঁচ টনা শব্দদুটাৰ কোনটো উত্তৰ প্ৰকৃততে শুদ্ধ বিচাৰি উলিওৱা ___________

(ক) সি স্কুললৈ খোজকাঢ়ি <u>যাই</u> আছে।ৰাজুৱে যোৰহাটলৈ যাবৰ বাবে বাছলৈ <u>ৰখি</u> আছে।

(খ) সি স্কুললৈ খোজকাঢ়ি <u>গৈ</u> আছে। ৰাজুৱে যোৰহাটলৈ যাবৰ বাবে বাছলৈ <u>ৰখি</u> আছে।

(গ) সি স্কুললৈ খোজকাঢ়ি <u>যাই</u> আছে। ৰাজুৱে যোৰহাটলৈ যাবৰ বাবে বাছলৈ <u>ৰৈ</u> আছে।

(ঘ) সি স্কুললৈ খোজকাঢ়ি <u>গৈ</u> আছে।ৰাজুৱে যোৰহাটলৈ যাবৰ বাবে বাছলৈ <u>ৰৈ</u> আছে।

(iii) তলৰ শুদ্ধ জতুৱা ঠাঁচটোত চিন দিয়া __________

(ক) বিনা কথাই বজ্ৰপাত পৰা

(খ) বিনা মেঘে বৰষুণ পৰা

(গ) বিনা বতৰে ধুমুহা অহা

(ঘ) বিনা মেঘে বজ্ৰপাত পৰা

(iv) নদী শব্দটোৰ সমাৰ্থক শব্দ হৈছে __________

(ক) সাগৰ

(খ) জান

(গ) বিল

(ঘ) তটিনী

(v) শাপ আৰু সাপ শব্দ দুটাৰ ক্ৰমান্বয়ে অৰ্থ হৈছে __________

(ক) এবিধ দীঘলীয়া বিষাক্ত প্ৰাণী আৰু অভিশাপ

(খ) অভিশাপ আৰু এবিধ দীঘলীয়া বিষাক্ত প্ৰাণী

(গ) 'ক' আৰু 'খ' দুয়োটাই হয়

(ঘ) 'ক' আৰু 'খ' এটাও নহয়

(vi) যাক নিৰ্বাচন কৰিব নোৱাৰি __________

(ক) বচনীয়

(খ) নিৰ্বাচনীয়

(গ) নিৰ্বাচন

(ঘ) অনিৰ্বনীয়

(vii) লুইতেহে জানে __________ কিমানলৈ বহে ।(উপযুক্ত শব্দটো বিচাৰি লিখা )

(ক) ডাৰ

(খ) পাল

(গ) বঠা

(ঘ) তৰী

(viii) তলৰ বাক্যকেইটাৰ পৰা শুদ্ধ সৰল বাক্যটো বিচাৰি উলিওৱা :

(ক) যদিও বৰ্ত্তমান বিজ্ঞানৰ যুগ তথাপিও বিজ্ঞানে উলিওৱা নতুন নতুন বস্তুৰ প্ৰভাৱত পুৰণি বস্তুৰ মূল্য কোনোদিনে নকমে।

(খ) বৰ্ত্তমান বিজ্ঞানৰ যুগ কাৰণে বিজ্ঞানে নতুন নতুন বস্তু উলিয়াইছে যদিও নতুন বস্তুৰ প্ৰভাৱত পুৰণি বস্তুৰ মূল্য কোনোদিনে নকমে।

(গ) বৰ্ত্তমান বিজ্ঞানৰ যুগত বিজ্ঞানে উলিওৱা নতুন নতুন বস্তুৰ প্ৰভাৱত পুৰণি বস্তুৰ আদৰ কমিলেও এইবোৰৰ মূল্য কোনোদিনে নকমে।

(ঘ) ওপৰৰ আটাইকেইটা অশুদ্ধ।

## SECTION B

*(Attempt **four** questions from this Section.)*

*(You must answer at least **one** question from each of the **two** books you have studied and any **two** other questions.)*

## অসমীয়া চুটি গল্পৰ প্ৰবাহ

## ASOMIYA SUTI GALPAR PRABAH

### Question 5

Read the questions given below and answer in **Assamese**:

তোমাৰ গল্পপুথি "অসমীয়া চুটি গল্পৰ প্ৰৱাহ"ৰ 'পাতমুগী' নামৰ গল্পটিৰ পৰা দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা। প্ৰথম প্ৰশ্নটো বহলাই নিলিখি কেৱল উত্তৰটোহে লিখিবা :

(i) 'পাতমুগী' কাৰ লগত বিয়া হৈছিল ? এই গল্পটিৰ লেখক কোন ? [2]

(ii) গিৰিয়েকৰ বিৰুদ্ধে কাচাৰীত গোচৰ দিবলৈ যাওঁতে ঔটেঙা গছত উঠি তলত পাতমুগীক দেখি দদাই বুলি মতা গাঁৱৰে মানুহজনৰ মনত কেনে ধৰণৰ বিকাৰ জন্ম হৈছিল ? [2]

(iii) পিছত ৰংপুৰৰ ঘৰলৈ আহি তেওঁ নিজৰ মনৰ পাপবোধৰ প্ৰায়শ্চিত কেনেকৈ কৰিলে ? [3]

(iv) পাতমুগীয়ে শেষত গোচৰ বাদ দি জীৱনটো কেনেদৰে সাৰ্থক কৰাৰ কথা চিন্তা কৰিলে ? [3]

## Question 6

Read the questions given below and answer in **Assamese**:

তোমাৰ গল্পপুথি "অসমীয়া চুটি গল্পৰ প্ৰৱাহ"ৰ 'অৱগাহন' নামৰ গল্পটিৰ পৰা দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা। প্ৰথম প্ৰশ্নটো বহলাই নিলিখি কেৱল উত্তৰটোহে লিখিবা :

(i) গল্পটোৰ মতে ৰ'জা মাৰ্গাৰেট ফিল্ডৰ শাৰীৰিক উচ্চতা কিমান আছিল ? তেখেতৰ স্বামীয়ে ক'ত চাকৰি কৰিছিল ? [2]

(ii) লেখিকাই তেওঁৰ ঘৰখনৰ সৌন্দৰ্যৰ কথা প্ৰশংসা কৰোঁতে তেওঁ কি বুলি কৈছিল ? ডেফডিল ফুলৰ দেশৰ পৰা আহি তেনে পৰিৱেশত কেনেকৈ খাপ খাইছে বুলি কৰা প্ৰশ্নৰ উত্তৰত তেওঁ কি কৈছিল ? [2]

(iii) নাৱেৰে মাজুলীৰ এখন সত্ৰলৈ যাত্ৰা কৰোঁতে লুইতৰ পাৰৰ প্ৰাকৃতিক সৌন্দৰ্য দেখি মোহিত হৈ মনৰ আনন্দ মিছেছ ফিল্ডে কেনেকৈ প্ৰকাশ কৰিছিল ? [3]

(iv) খৃষ্টিয়ান হৈও তেওঁ গীৰ্জালৈ নেযায় কিয় ? খৃষ্টিয়ান ধৰ্মৰ বিষয়ে তেওঁ কি মন্তব্য দিলে ? [3]

## Question 7

Read the questions given below and answer in **Assamese**:

তোমাৰ গল্পপুথি "অসমীয়া চুটি গল্পৰ প্ৰৱাহ"ৰ 'ৰক্তবীজ' নামৰ গল্পটিৰ পৰা দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা। প্ৰথম প্ৰশ্নটো বহলাই নিলিখি কেৱল উত্তৰটোহে লিখিবা :

(i) জগন্নাথলৈ কোন কোন গৈছিল ? কোনে কাক ফাটেকত দিছিল ? [2]

(ii) দুই বন্ধু মহা আনন্দেৰে জগন্নাথ তীৰ্থলৈ যোৱাৰ পাছতেই ঘৰ দুখনৰ মাজত কিয় আৰু কেনেকৈ শত্ৰুতা আৰম্ভ হ'ল ? [2]

(iii) যদুৰ বাপেকৰ অসুখ হৈ মৰণ পাটীত পৰি থাকোঁতে তেওঁৰ অন্তৰঙ্গ বন্ধু মণিৰ দেউতাকে কেনেদৰে দুখেৰে তেওঁক সিপুৰীলৈ বুলি বিদায় দিলে ? [3]

(iv) গল্পটোৰ শেষৰ ফালে লিখকে গাঁৱত--- 'ৰক্তবীজৰ একবিন্দু ক্ষেপন হ'ল'—বুলি প্ৰকৃততে কি বুজাইছে ? এই ৰক্তবীজে গাঁওখন কেনেদৰে ধ্বংসৰ ফালে লৈ গ'ল ? [3]

## সাউদৰ পুতেকে নাও মেলি যায় ( হোমেন বৰগোহাঞি)

## SAUDAR PUTEKE NAO MELI JAI

### Question 8

Read the given questions from the novel and answer in Assamese:

তোমাৰ পাঠ্যপুথি **"সাউদৰ পুতেকে নাও মেলি যায়"** নামৰ উপন্যাসখনিৰ পৰা দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা।

প্ৰত্যেকটো প্ৰশ্নৰে প্ৰথম প্ৰশ্নটো বহলাই নিলিখি কেৱল উত্তৰটোহে লিখিবা :

(i) বাপুকণৰ কোনটো জন্তুৰ লগত কেনে সম্বন্ধ আছিল ? [2]

(ii) এই মধুৰ সম্বন্ধত কি কাৰণে ঘুণে ধৰিলে ? [2]

(iii) ঘৰত পশু-পক্ষী পোহাৰ বিষয়ে বাপুকণৰ দেউতাকৰ ধাৰণা কি ? [3]

(iv) দেউতাকে দেখা সপোনটোৰ কথা কওঁতে বাপুকণৰ মনলৈ কেনেধৰণৰ প্ৰতিক্ৰিয়া আহিছিল ? [3]

### Question 9

Read the given questions from the novel and answer in Assamese:

(i) মনবৰ কোন ? হেবাঙৰ বাহিৰে বাপুকণৰ আন দুটা লগৰীয়াৰ নাম লিখা। [2]

(ii) ঘনকান্তইতৰ কঠীয়াতলীৰ ঢাপত থিয় হৈ চাৰিওফালৰ গছবোৰ দেখি বাপুকণৰ মনলৈ কেনে ভাৱ আহিছিল ? [2]

(iii) হলিবাৰীলৈ আম খাবলৈ যাওঁতে হেবাঙ আৰু বাপুকণে হোলাটো পাৰ হোৱাৰ অভিজ্ঞতাখিনি বৰ্ণনা কৰা। [3]

(iv) ধুমুহাত বাগৰি পৰা স্কুল কম্পাউণ্ডৰ বৰগছজোপাৰ ভূ-লুণ্ঠিত হৈ থকা দৃশ্যটোৱে বাপুকণক ইমান দুখ কিয় দিয়ে ? [3]

### Question 10

Read the given questions from the novel and answer in Assamese:

"বিক্ৰমে কবিতা লিখিবলৈ আৰম্ভ কৰিছিল সেইদিনা --- যিদিনা ৰেণু আৰু তাৰ চাৰি চকুৰ মিলন হৈছিল।"

(i) ৰেণু কোন ? [2]

(ii) চাৰি চকুৰ মিলনৰ কথা বিক্ৰমৰ দৰে সৰু ল'ৰা এটাই বুজিব পাৰে বুলি ভাবিব পাৰি নে ? সি কিয় এই ব্যাক্যাংশ ব্যৱহাৰ কৰিছে ? [2]

(iii) আচলতে ৰেণু আৰু বিক্ৰমৰ চাৰি চকুৰ মিলন কেনেকৈ হৈছিল বুলি বৰ্ণনা কৰিছে ? [3]

(iv) বিক্ৰমে কৈছে যে সি কেৱল কবি হ'বলৈ নিবিচাৰে, প্ৰেমিক হ'বলৈ নিবিচাৰে—সি কি হ'ব বিচাৰে ? কেনে পৰিস্থিতিত পৰি সি নিজকে পাপী বুলি কৈছে ? [3]

## কবিতা মঞ্জৰী

## KABITA MONJORI

**Question 11**

Read the given questions and answer in Assamese:

তোমাৰ পাঠ্যপুথি "**কবিতা মঞ্জৰী** " নামৰ কবিতা পুথিৰ 'মমতাৰ চিঠি' নামৰ কবিতাটিৰ পৰা দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা। প্ৰথম প্ৰশ্নটো বহলাই নিলিখি কেৱল উত্তৰটোহে লিখিবা :

(i) কবিতাটোৰ কবিজনৰ নাম কি ? বাবুল কোন ? [2]

(ii) মমতা যে বিধৱা কোনবোৰ কথাৰ পৰা বুজিব পাৰি ? জোনটো নাওখন হৈ তৰাৰ দেশলৈ ৰিঙিয়াই মতা— কথাষাৰৰ অৰ্থ কি ? [2]

(iii) কবিতাৰ শেষৰফালে মমতাই যে স্বামী উলটি অহাৰ কথা কৈছে, তাৰ পৰা কি অনুমান কৰিব পাৰি ? এই প্ৰসঙ্গত কবিয়ে ভোগদৈ আৰু লুইতৰ কথা উল্লেখ কৰাৰ কাৰণ কি ? [3]

(iv) মমতাই চিঠিত লিখা মেজিৰ ৰঙা জুইকুৰা আৰু ছাগলীজনীয়ে পোৱালি দিয়া ঘটনা দুটাই কি বুজাইছে ? গোটেই কবিতাটোৰ মাজেদি যেন এটি করুণ সুৰৰ প্ৰকাশ ঘটিছে— তুমি কি ভাবা ? [3]

**Question 12**

Read the given questions and answer in Assamese:

তোমাৰ পাঠ্যপুথি "**কবিতা মঞ্জৰী** " নামৰ কবিতা পুথিৰ 'দ্ৰোপদী' নামৰ কবিতাটিৰ পৰা দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা। প্ৰথম প্ৰশ্নটো বহলাই নিলিখি কেৱল উত্তৰটোহে লিখিবা :

(i) ষষ্ঠ পাণ্ডৱ কোন ? তেওঁৰ কি গুণ দেখি "দ্ৰোপদী" আকৰ্ষিত হৈছে ? [2]

(ii) "দ্ৰোপদী"য়ে স্বীকাৰ কৰা মতে তেওঁৰ দোষ কি ? এয়া সঁচাই তেওঁৰ দোষ নে ? [2]

(iii) 'প্ৰাণৰ পাত্ৰ জানো কেতিয়াবা ভৰে'— কথাফাকিৰ দ্বাৰা দ্ৰোপদীয়ে কি প্ৰাণৰ পাত্ৰ ভৰাৰ কথা কৈছে ? পঞ্চপাণ্ডৱৰ নাম এই প্ৰসঙ্গত কিয় উল্লেখ কৰা হৈছে ? [3]

(iv) এই কবিতাত কবিয়ে দ্ৰোপদীৰ মুখেৰে কোৱাইছে— মই ব্যতিক্ৰম ? নহয় নহয়—কথাখিনিৰ মাজেদি দ্ৰোপদীয়ে নিজকে কি হিচাপে তুলি ধৰিছে ? [3]

**Question 13**

Read the given questions and answer in Assamese:

তোমাৰ পাঠ্যপুথি **"কবিতা মঞ্জৰী "** নামৰ কবিতা পুথিৰ 'তেজৰে কমলাপতি' নামৰ বৰগীতটিৰ পৰা দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা। প্ৰথম প্ৰশ্নটো বহলাই নিলিখি কেৱল উত্তৰটোহে লিখিবা :

"তেজৰে কমলাপতি পৰভাত নিন্দ।

তেৰি চান্দমুখ পেখোঁ উঠৰে গোবিন্দ।"

(i) এই বৰগীতটোৰ স্ৰষ্টা কোন ? ইয়াত "তেৰি চান্দমুখ পেখোঁ" মানে কি ? [2]

(ii) 'তেজৰে কমলাপতি' বৰগীতটোৰ মাজেদি মাতৃ যশোদাই পুৱা টোপনিৰ পৰা কৃষ্ণক উঠাবলৈ চেষ্টা কৰাৰ প্ৰকৃত উদ্দেশ্য কি ? [2]

(iii) মাতৃ যশোদাই কৃষ্ণক কি কি কথা কৈ শয্যা ত্যাগ কৰিবলৈ কৈছে ? [3]

(iv) মাতৃ যশোদাই ভগৱান কৃষ্ণক গৰখীয়া হিচাপে নিজ ঘৰতে লাভ কৰাৰ বিষয়ে কি বুলি কৈ ধন্য মানিছে ? [3]

## কাৰেঙৰ লিগিৰী

## KARENGAR LIGIRI

### Question 14

Read the given questions and answer in Assamese:

তোমাৰ পাঠ্যপুথি **"কাৰেঙৰ লিগিৰী "** নামৰ নাটকখনিৰ পৰা দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা। প্ৰথম প্ৰশ্নটো বহলাই নিলিখি কেৱল উত্তৰটোহে লিখিবা :

(i) অনঙ্গই সুন্দৰক তেওঁৰ আৰু কাঞ্চনমতীৰ মাজত থকা আন্তৰিক সম্পৰ্কৰ কথা নকৈ সুন্দৰক কিহত পেলালে বুলি কৈছে ? [2]

(ii) সুন্দৰে অনঙ্গৰ বন্ধুত্বক কিয় কাপুৰুষালি বুলি অভিহিত কৰিছে ? [2]

(iii) অনঙ্গই নিজৰ ভুল স্বীকাৰ কৰাত সুন্দৰে সেই ভুলৰ শুধৰণি কেনেকৈ কৰিবলৈ ওলাইছে ? সুন্দৰৰ এই ব্যৱস্থা অনঙ্গই কিয় শাস্তি বুলি কৈছে ? [3]

(iv) শেষত সুন্দৰে কি সিদ্ধান্ত ল'লে আৰু তাৰ প্ৰতি কি জবাব দিলে ? [3]

**Question 15**

Read the given questions and answer in Assamese:

(i) নাটকখনিৰ ১/৫ দৃশ্যত "মৰিম ,মৰিম, মই নাখাই- নবই মৰিম।"— ৰাজমাৰে কোনটো কথাৰ বাবে সুন্দৰক তেনেকৈ কৈছিল ? [2]

(ii) মাকে অবুজনৰ দৰে কাম কৰিছে বুলি সুন্দৰে কোৱাত ৰাজমাৰে উত্তৰত কি কি কথা ক'লে ? [2]

(iii) এনে সময়ত সুদৰ্শন সুন্দৰৰ কোঠালৈ সোমাই আহোঁতে ৰেৱতীয়ে কোঁৱৰৰ বিষয়ে কি খবৰ দিলে ? [3]

(iv) হঠাতে সুন্দৰৰ মাত শুনি সুদৰ্শনে কোঁৱৰক কি উপদেশ দিয়ে ? তেওঁলোকৰ কথা-বতৰাৰ এটি আভাস দিয়া । [3]

**Question 16**

Read the given questions and answer in Assamese:

(i) "সুন্দৰ : মোৰ এয়েই প্ৰথম আৰু শেষ কথা । তুমি মোৰ জীৱনৰ পৰা আঁতৰি যাব লাগিব।"--- এই কথাষাৰ কোনটো অঙ্কৰ কোনটো দৃশ্যত আছে ? [2]

(ii) তেতিয়া কাঞ্চনমতীয় কি উত্তৰ দিছিল ? সেই কথাবোৰৰ মাজেদি তেওঁৰ চৰিত্ৰৰ দৃঢ়তা কেনেদৰে ফুটি উঠিছে ? [2]

(iii) 'বিবাহ আৰু ভালপোৱাৰ পাৰ্থক্য কি ?' বুলি কোনে প্ৰশ্ন কৰিছিল আৰু তেতিয়া তাৰ উত্তৰ তেওঁ কি বুলি পাইছিল ? [3]

(iv) সুন্দৰে বাৰে বাৰে তেওঁ কৰা ভুল শুধৰোৱাৰ কথা কওঁতে কাঞ্চনমতীয়ে কি বুলি উত্তৰ দিছিল ? শেষত তেওঁ কি কি যুক্তি দি নিজৰ মত দৃঢ়তাৰে উপস্থাপন কৰি খঙত কাঞ্চনমতীৰ পৰা বিদায় লৈ ওলাই যায় ? [3]